মিছন সঞ্চালকৰ কাৰ্য্যালয় ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান (ৰুচা)
কাহিলীপাৰা,গুৱাহাটী-৭৮১০১৯
Website:www.rusa.assam.gov.in Email:rusaassam@gmail.com/rusa-assam@assam.gov.in
Telephone no:03 0361-3511733

তাৰিখ ১৭-০২-২০২১

## প্ৰেছ বিজ্ঞপ্তি

ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান অসমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ তথ্য প্ৰযুক্তি বিভাগৰ সহযোগত দুটা অসমীয়া ইউনিকোড ফণ্টৰ বিকাশৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। এই দুটা অসমীয়া ইউনিকোড ফণ্টৰ নাম এসময়ত অসমীয়া ভাষা সাহিত্যৰ বিকাশ ঘটোৱা কালজয়ী আলোচনী "উষা" আৰু "জোনাকী"ৰ নামেৰে নামাকৰণ ঘটোৱা হৈছে। উষা আৰু জোনাকীৰ এই দুটা ফণ্ট এসপ্তাহৰ বাবে পৰীক্ষামূলক ব্যৱহাৰ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। এই সপ্তাহটোৰ অন্তত ইয়াক ৰাজহুৱা ব্যৱহাৰৰ বাবে মুকলি কৰি দিয়া হ'ব। এই দুটা ফণ্ট বিনামূলীয়া হ'ব। এই দুয়োটা ইউনিকোড ফণ্ট আমাৰ অসমীয়া ভাষা সাহিত্যৰ ডিজিটেল যুগটো শক্তিশালী হোৱাত অৰিহনা যোগাব। সকলো চৰকাৰী কাৰ্য্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়, শিক্ষানুষ্ঠান ইত্যাদিৰ যাৱতীয় সকলো কাম কাজ কোনো বিসংগতী নোহোৱাকৈ ইয়াত কৰিব পাৰিব। অসমীয়া ভাষা লিখনৰ বাবে এই দুয়োটা ফণ্ট বিশেষ ভাৱে পৰৱৰ্তী সময়ত প্ৰযোজ্য হ'ব কিয়নো এই দুটা ফণ্টত সকলো ধৰণৰ যুক্তাক্ষৰ লিখন সম্ভৱ হ'ব।

অসমৰ মাননীয় শিক্ষামন্ত্ৰীয়ে এই দুটা ইউনিকোড ফণ্ট অসমীয়া বৌধিক, শৈক্ষিক আৰু সাংস্কৃতিক সাহিত্যিক সমাজ খনত যথেষ্ট সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰে। উল্লেখ যোগ্য যে এই দুটা ইউনিকোড ফণ্ট এসপ্তাহৰ অন্তত ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান অসমৰ Website (www.rusa.assam.gov.in) ত বিনামুলিয়াকৈ উপলব্ধ হ'ব। অসমৰ মাননীয় শিক্ষা মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দুয়োটা ইউনিকোড ফণ্টৰ বিকাশৰ ফলত ডিজিটেইল আৰু ইণ্টাৰনেট মাধ্যমত অসমীয়াৰ প্ৰয়োগ আৰু ব্যাপক হ'ব বুলি আশা প্ৰকাশ কৰে আৰু ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান অসমক এনে পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

স্বাক্ষৰঃ ড° দীপক মজুমদাৰ আই.এ.এছ
অসম চৰকাৰৰ সচিব,উচ্চ শিক্ষা বিভাগ
আৰু
মিছন সঞ্চালক, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান, অসম